ASSAMESE NEWS
(04-08-2025) MIDDAY

১.	বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনৰ দুই বজালৈ স্থগিত ৰখা হয়।

২.	ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিবু চোৰেণৰ আজি নতুন দিল্লীত দেহাৱসান ঘটে। তেওঁৰ বিয়োগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বিশিষ্ট ব্যক্তিসকলে শোক প্ৰকাশ কৰিছে।

৩.	ৰাজ্যসভাৰ সাংসদ শিবু চোৰেণৰ বিয়োগত নেতাগৰাকীৰ প্ৰতি সন্মানাৰ্থে ৰাজ্যসভাৰ আজিৰ দিনটোৰ কাম-কাজ স্থগিত ৰখা হয়।

৪.	নিয়োগ মেলাৰ জৰিয়তে যোৱা ১৬ টা মাহত দেশত  ১১ লাখৰো অধিক প্ৰাৰ্থীয়ে চাকৰি লাভ কৰিছে বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাৱিয়াই প্ৰকাশ কৰিছে।

আৰু

৫.	অভেল টেষ্টত ভাৰতে আজি চাৰিটা উইকেট আৰু ইংলেণ্ড দলে ৩৫ ৰানৰ লক্ষ্যৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হব।

০০০০০

বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনৰ দুই বজালৈ স্থগিত ৰখা হয়। দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা চলায়। কিন্তু বিৰোধী সাংসদসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন উঠাই লোৱাকে ধৰি অন্যান্য বিষয়ত ধ্বনি দিবলৈ আৰম্ভ কৰে। শ্ৰী বিৰলাই প্ৰতিবাদৰত সদস্যসকলক প্ৰশ্নকাল চলাই নিয়াৰ অনুমতি দিবলৈ আৰু সকলোকে এই আলোচনাত অংশ ল’বলৈ আহ্বান জনায়। ইয়াৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই দিনৰ দুই বজালৈ সদন স্থগিত ঘোষণা কৰে। হুলস্থূলীয়া পৰিৱেশৰ মাজতে শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাৱিয়াই চৰকাৰী খণ্ডৰ কোম্পানীসমূহত নিয়োগ সন্দৰ্ভত প্ৰশ্নৰ উত্তৰ দিয়ে।

০০০০০০

ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজ্যখনৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ পিতৃ শিবু চোৰেণৰ আজি নতুন দিল্লীত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকী বৃক্ক ৰোগত ভূগি থকাৰ লগতে ডেৰমাহ পূৰ্বে ষ্ট্ৰোকত আক্ৰান্ত হৈছিল। যোৱা এমাহ ধৰি নতুন দিল্লীৰ চাৰ গংগাৰাম হাস্পতালত তেওঁক জীৱনদায়িনী ব্যৱস্থাৰে ৰখা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে চোৰেণক জনসাধাৰণৰ প্ৰতি নিষ্ঠাৰে সেৱা আগবঢ়াই সমাজ জীৱনত উত্তৰণ ঘটা তৃণমূল পৰ্যায়ৰ নেতা বুলি অভিহিত কৰে। শ্ৰী মোদীয়ে কয়, যে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকী জনজাতীয় সম্প্ৰদায়, দৰিদ্ৰ আৰু পদদলিতসকলৰ সৱলীকৰণৰ প্ৰতি বিশেষভাৱে আগ্ৰহী আছিল। প্ৰধানমন্ত্ৰী মোদীয়ে চোৰেণৰ পৰিয়াল আৰু অনুগামীসকলক সমবেদনা জ্ঞাপন কৰিছে। তেওঁ লগতে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী তথা চোৰেণৰ পুত্ৰ শিবু চোৰেণৰ সৈতে কথা পাতি তেওঁক সমবেদনা জ্ঞাপন কৰা

বুলিও সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰিছে। শ্ৰী সিঙে চোৰেণক দেশৰ এগৰাকী অন্যতম জ্যেষ্ঠ নেতা বুলি অভিহিত কৰাৰ লগতে ঝাৰখণ্ডৰ উন্নয়নৰ বাবে কাম কৰা শীৰ্ষ নেতাসকলৰ অন্যতম বুলিও অভিহিত কৰে। শ্ৰী সিঙে কয়, যে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে সমাজৰ দুৰ্বল শ্ৰেণী আৰু জনজাতীয় লোকসকলৰ অধিকাৰ আৰু সৰলীকৰণৰ বাবে কাম কৰিছিল। তেওঁৰ কৰ্মৰাজি ৰাজ্যখনৰ লগতে জনসাধাৰণৰ বাবে সদায়ে স্মৰণীয় হৈ থাকিব বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে নেতাগৰাকীৰ বিয়োগত ঝাৰখণ্ডত আজিৰেপৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰা হৈছে। আজি আৰু কাইলৈ ৰাজ্যখনৰ চৰকাৰী কাৰ্যালয়সমূহ বন্ধ থাকিব। ঝাৰখণ্ড বিধানসভাৰ চলিত অধিৰেশনো প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ বিয়োগৰ পৰিপ্ৰেক্ষিতত অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হৈছে।

oooooooooo

নিয়োগ মেলাৰ জৰিয়তে যোৱা ১৬ টা মাহত দেশত  ১১ লাখৰো অধিক প্ৰাৰ্থীয়ে চাকৰি লাভ কৰিছে বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাৱিয়াই প্ৰকাশ কৰিছে। লোকসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰতিবেদন অনুসৰি বিগত দশকটোত ১৭ কোটিৰো অধিক যুৱক-যুৱতীয়ে নিযুক্তি লাভ কৰিছে। ইউ পি এ চৰকাৰৰ শাসনকালৰ ১০ বছৰত মাত্ৰ তিনি কোটি প্ৰাৰ্থীয়েহে নিযুক্তি লাভ কৰিছিল বুলি তেওঁ মন্তব্য কৰে। শ্ৰী মন্দাৱিয়াই লগতে কয়, যে প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত পৰৱৰ্তী ৫ বছৰত আৰু চাৰিকোটি নিয়োগ সৃষ্টিৰ বাবে ২ লাখ কোটি টকা আৱণ্টন দিয়া হৈছে।

oooooo

প্ৰেছ ইনফৰমেচন ব্যুৰ' – পি আই বিৰ তথ্য পৰীক্ষণ গোটে ভাৰত আৰু আমেৰিকাৰ মাজৰ শুল্ক সম্পৰ্কীয় শেহতীয়া ব্যৱস্থাসমূহক লৈ ভুৱা দাবী অথবা বাতৰি প্ৰচাৰ নকৰিবলৈ সামাজিক মাধ্যমৰ একাউণ্টসমূহক আহ্বান জনাইছে। এনে একাংশ একাউণ্টৰ জৰিয়তে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ কেতবোৰ বিবৃতি বিকৃত ৰূপত প্ৰচাৰ কৰা বুলি অভিযোগ উত্থাপিত হৈছে। পি আই বিৰ তথ্য পৰীক্ষণ গোটে অনলাইন মাধ্যমত প্ৰচাৰিত এনেধৰণৰ ভুল তথ্য তথা ভুৱা প্ৰচাৰৰ পৰা আঁতৰি থাকিবলৈ সংশ্লিষ্ট সকলোকে সকিয়াই দিছে। গোটটোৱে লগতে এনেধৰণৰ যিকোনো বা-বাতৰিৰ প্ৰচাৰ অথবা প্ৰসাৰত ভাগ লোৱাৰ পূৰ্বে চৰকাৰী সূত্ৰৰ বাতৰি পৰীক্ষা কৰি চাবলৈকো জনসাধাৰণক আহ্বান জনাইছে।

ooooooo

ফিলিপিনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনেণ্ড আৰ মাৰ্কোছ জুনিয়ৰ পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি সন্ধিয়া নতুন দিল্লীত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে তেওঁৰ পত্নী লুইছ আৰানেটা মাৰ্কোছ্ আৰু কেইবাগৰাকীও কেবিনেট মন্ত্ৰী, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায়িক প্ৰতিনিধিৰ এটা উচ্চ পৰ্যায়ৰ দলো আহিব। উল্লেখযোগ্য যে ফিলিপিনছৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমাৰ্কোছৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিলিপিনছৰ ৰাষ্ট্ৰপতিগৰাকী দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। শ্ৰীমাৰ্কোছে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড$^{o}$ এছ্ জয় শংকৰেও ৰাষ্ট্ৰপতি মাৰ্কোছক সাক্ষাৎ কৰাৰ কথা। ফিলিপিনছলৈ উভতি যোৱাৰ পূৰ্বে শ্ৰী মাৰ্কোছ বেংগালুৰুলৈ যাব।

উল্লেখযোগ্য যে ভাৰত আৰু ফিলিপিনছৰ মাজত ১৯৪৯ চনৰ নৱেম্বৰত কূটনৈতিক সম্পৰ্ক গঢ় লৈ উঠিছিল। তেতিয়াৰে পৰা দেশ দুখনৰ মাজত ব্যৱসায়, বিনিয়োগ, প্ৰতিৰক্ষা, নিৰাপত্তা, সামুদ্ৰিক সহযোগিতা, কৃষি, স্বাস্থ্যসেৱা, ডিজিটেল প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত

বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। ভাৰতৰ আছিয়ানৰ সৈতে থকা সৰ্বাত্মক কৌশলগত অংশীদাৰিত্বৰ জৰিয়তে ফিলিপিনছৰ সৈতেও আঞ্চলিক পৰ্যায়ৰ বিভিন্ন দিশত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। এক্ট-ইষ্ট নীতি, মহাসাগৰ, ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত ফিলিপিনছৰ সৈতে থকা ভাৰতৰ সম্পৰ্ক বিশেষভাৱে গুৰুত্বপূৰ্ণ। ভাৰত-ফিলিপিনছৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ এইবাৰ ৭৫ বছৰ সম্পূৰ্ণ হ'ব। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে দ্বিপাক্ষিক সহযোগিতা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ক্ষেত্ৰত থকা দেশ দুখনৰ মাজৰ সম্পৰ্কক আৰু অধিক শক্তিশালী কৰাৰ সুযোগ দিব বুলি আশা কৰা হৈছে।

ooooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি সন্ধিয়া প্ৰথমবাৰৰ বাবে BIMSTEC পৰম্পৰাগত সংগীত মহোৎসৱৰ আয়োজন কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে এই মহোৎসৱ উদ্বোধন কৰিব। ভাৰত, বাংলাদেশ, ভূটান, ম্যানমাৰ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ডৰ শিল্পীসকলে এই সংগীত মহোৎসৱত গীত পৰিৱেশন কৰিব। ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদে আয়োজন কৰা **সপ্ত সুৰ ঃ সাতখন ৰাষ্ট্ৰ, এটা ৰাগ** শীৰ্ষক এই মহোৎসৱত BIMSTECৰ সাতখন ৰাষ্ট্ৰৰ ভিন ভিন সংগীত পৰম্পৰা উদযাপন কৰা হ'ব। মহোৎসৱৰ উদ্বোধনী কাৰ্যসূচীক BIMSTEC সহযোগিতাৰ গুৰুত্বপূৰ্ণ সাংস্কৃতিক মাইলৰ খুঁটি হিচাপে বিবেচনা কৰা হৈছে। চলিত বৰ্ষৰ এপ্ৰিলত থাইলেণ্ডত অনুষ্ঠিত BIMSTEC সন্মিলনত আঞ্চলিক সাংস্কৃতিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰা ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ হিচাপে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। সকলো দৰ্শকে এই অনুষ্ঠান বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব।

ooooooo

অ'ভেল টেষ্ট পেণ্ডুলাম সদৃশ স্থিতিত অৱস্থান কৰিছে। ভাৰত আৰু ইংলেণ্ডৰ মাজত এণ্ডাৰছন-তেণ্ডুলকাৰ শৃংখলাৰ পঞ্চম তথা অন্তিম টেষ্টৰ আজি অন্তিম দিনা জয়লাভৰ বাবে ইংলেণ্ডক প্ৰয়োজন ৪ উইকেটত ৩৫ ৰানৰ আৰু ভাৰতক প্ৰয়োজন অন্তিম চাৰিটা উইকেটৰ। আজি খেলখনৰ আৰম্ভণিতেই ইংলেণ্ড দলে পিট্‌ছত হেভী ৰ'লাৰ ব্যৱহাৰ কৰাৰ সুযোগ পাব। যাৰ ফলত ভাৰতীয় বেগী বলাৰসকল অসুবিধাৰ সন্মুখীন হ'ব। অৱশ্যে আজি ৪ অ'ভাৰ বল কৰাৰ পাছতে ভাৰতে নতুন বল ল'ব পাৰিব। কালি অপৰাজিত হৈ থকা জেমি স্মিথে দুই ৰানৰ পৰা আৰু অ'ভাৰটনে শূন্যৰ পৰা বেটিং আৰম্ভ কৰিব। কালি ভাৰতৰ হৈ প্ৰসিদ্ধ কৃষ্ণই তিনিটা, মহম্মদ ছিৰাজে দুটা আৰু আকাশদীপে ইংলেণ্ডৰ এটা উইকেট দখল কৰে। ইংলেণ্ডৰ হৈ জ' ৰুটে ১০৫ আৰু হেৰি ব্ৰুকে ১১১ ৰান কৰি নিজ দলক সুদৃঢ় স্থিতি প্ৰদান কৰে। ইংলেণ্ডৰ ক্ৰিছ ৱকছ্ বাউন্সীৰ আঘাতৰ বাবে ৰিটায়াৰ্ড হাৰ্ট হ'বলগীয়া হয়। খেলখনৰ স্ক'ৰসমূহ ঃ

ভাৰত - প্ৰথম ইনিংছ ২২৪ আৰু দ্বিতীয় ইনিংছ ৩৯৬ ৰান।

ইংলেণ্ড - প্ৰথম ইনিংছ ২৪৭ আৰু দ্বিতীয় ইনিংছ ৬ উইকেটৰ বিনিময়ত ৩৩৯ ৰান।

ooooooo